অধ্যায় ৮ ঃ অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ টাই ভাষিক গোষ্ঠীৰ চমু পৰিচয়
৮.৪ অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান
৮.৪.১ ভাষা
৮.৪.২ সাহিত্য
৮.৪.৩ ধর্ম
৮.৪.৪ স্থাপত্য আৰু ভাস্কর্য
৮.৪.৫ চিত্রকলা
৮.৪.৬ বস্ত্রশিল্প, অলঙ্কাৰ আৰু অন্যান্য
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- টাই ভাষিক গোষ্ঠীৰ চমু পৰিচয় লাভ কৰিব
- অসমীয়া জাতি আৰু সংস্কৃতিলৈ টাই-আহোমসকলৰ অৱদান সম্পর্কে জানিব পাৰিব
- অসমীয়া সংস্কৃতি গঢ় লওঁতে ভাষা, সাহিত্য, ধর্ম, স্থাপত্য-ভাস্কর্য, চিত্রকলা, বস্ত্রশিল্প, অলঙ্কাৰ আদি ক্ষেত্রলৈ টাই-আহোমসকলে আগবঢ়োৱা অৱদান সম্পর্কে পর্যালোচনা কৰিব পাৰিব।

৮.৩ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি অসমীয়া সংস্কৃতিলৈ তিব্বত-বর্মীয় ভাষীৰ অৱদানৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়টোত আমি অসমীয়া সংস্কৃতিলৈ গুৰুত্বপূর্ণ অৰিহণা যোগোৱা টাইসকলৰ অৱদানৰ কথা আলোচনা কৰিম। অসম তথা অসমীয়া সংস্কৃতিৰ ইতিহাসত ত্রয়োদশ শতিকা এক গুৰুত্বপূর্ণ সময়। এই শতিকাৰ আৰম্ভণিতে টাই ভাষিক গোষ্ঠীৰ চুকাফাই সৈন্য সামন্ত লৈ ব্রহ্মপুত্র উপত্যকাৰ দক্ষিণ-পূবৰ পাটকাই পর্বত পাৰ হৈ ভৈয়াম সোমায়হি। চুকাফাৰ এই

আগমনে অসমৰ ৰাজনৈতিক ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰাৰ লগতে অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ এটা নতুন অধ্যায়ৰো আৰম্ভণি কৰিলে। এওঁলোকৰ ৰাজত্বৰ পৰাই এই দেশৰ নাম অসম আৰু দেশবাসীৰ নাম অসমীয়া হ'ল। এওঁলোকৰ প্ৰৱেশৰ সময়ত ৰাজনৈতিকভাৱে ব্ৰহ্মপুত্ৰ উপত্যকা বিভিন্ন সৰু-বৰ শক্তিৰ অধীন আছিল। চুকাফাই এই শক্তিবোৰক নিজৰ অধীনলৈ আনিলে আৰু ৰাজনৈতিক, প্ৰশাসনীয়, সামাাজিক আৰু বিশেষভাৱে সাংস্কৃতিকভাৱে একগোট কৰিলে। এওঁলোক আহোম নামেৰে পৰিচিত আৰু সুদীৰ্ঘ ছশ বছৰ কাল ৰাজত্ব কৰা এটি জাতি হিচাপে ইতিহাসত জনাজাত হৈ পৰিল। টাই আহোমসকলৰ এই সুদীৰ্ঘ কালৰ সময়তে সাংস্কৃতিক-ভাৱে অসমীয়াৰ এটি বৈশিষ্ট্যপূৰ্ণ জাতীয় চৰিত্ৰই গঢ় ল'লে। অসমীয়া সংস্কৃতিলৈ টাইসকলৰ আৰু বিশেষভাৱে আহোমসকলৰ অৱদান অতি বিস্তৃত। এই অধ্যায়টিৰ অধ্যয়নে আপোনাক অসমীয়া সংস্কৃতিলৈ টাই আহোমসকলে আগবঢ়োৱা কেতবোৰ বিশেষ অৱদানৰ বিষয়ে ধাৰণা প্ৰদান কৰিব।

৮.৩ টাই ভাষিক গোষ্ঠীৰ চমু পৰিচয়

ভাষিক বৈশিষ্ট্যৰে টাইসকল তিব্বত-চীনীয় বা চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত। এই চীন-তিব্বতীয় ভাষাগোষ্ঠী পৃথিৱীৰ অন্যতম বৃহৎ ভাষাগোষ্ঠী। এই ভাষাগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন ভাষা কোৱা লোকসকল পূব আৰু দক্ষিণ-পূব এছিয়াৰ বিশাল ভূখণ্ডত বিভিন্ন শাখা-প্ৰশাখাৰে বিয়পি আছে। চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ইয়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থলেই এই ভাষাগোষ্ঠীৰ লোকসকলৰ আদিম বাসস্থান আছিল বুলি অনুমান কৰা হয়। এওঁলোক অসম আৰু ব্ৰহ্মদেশৰ বিভিন্ন গিৰিপথবোৰেৰে আৰু ব্ৰহ্মপুত্ৰ, চিন্দুইন, ইৰাৱতী, চালুইন, মেকং আৰু মেনাম নদীপথেৰে অসমত প্ৰৱেশ কৰা বুলি পণ্ডিতসকলে কয়।

চীন-তিব্বতীয় ভাষাগোষ্ঠীক প্ৰধানত: দুটা শাখাত ভাগ কৰা হৈছে—

ক) তিব্বত-বর্মী আৰু

খ) থাই-চীনীয় বা শ্যাম-চীনীয়।

ইয়াৰে থাই-চীনীয় বা শ্যাম-চীনীয় শাখাৰ এটি প্ৰধান উপ-শাখা হৈছে টাই বা থাই। এই টাই উপ-শাখাৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰত শ্যামী বা ছিয়ামী বা থাই, লাও, লু, খুন মিআও, য়াও, শ্বান, আহোম, খামতি, টুৰুং, আইতনিয়া, নৰা-খামজঙিয়া, ফাকিয়াল আদি প্ৰধান।

টাইসকল উন্নত সংস্কৃতিসম্পন্ন লোক আছিল। খ্ৰীষ্টপূৰ্ব ২৫০০ বছৰ পূৰ্বৰ পৰাই দক্ষিণ-পশ্চিম চীনৰ সমতল অঞ্চলত টাইসকলে ৰাজ্য প্ৰতিষ্ঠা কৰি ৰাজত্ব কৰি আছিল বুলি অনুমান কৰা হৈছে। উল্লেখযোগ্য কথা যে টাইসকল চীনদেশৰ অন্যতম পুৰণি বাসিন্দা আৰু এওঁলোকৰ সংস্কৃতিৰ লগত ঘাইকৈ দক্ষিণৰ লিয়াও, য়াও আৰু য়েহু সংস্কৃতিৰ সমন্বয়ৰ ফলতেই চীনা সংস্কৃতিৰো জন্ম হৈছে।

পুৰণি কালত 'টাই' শব্দটো এটা উত্তৰাধিকাৰসম্পন্ন ৰাজকীয় বিষয়াৰ উপাধি আছিল বুলি পদ্মেশ্বৰ গগৈয়ে তেওঁৰ *ডি টাই এণ্ড ডি টাই কিংডমচ্* গ্ৰন্থত উল্লেখ কৰিছে। চীনৰ টাইবংশীয়

সম্রাটসকলেও এই উপাধি ব্যৱহাৰ কৰাৰ প্ৰমাণ পোৱা যায়। পাছত টাই শব্দটোৱে শাসক বা ৰাজনীতিত পাৰ্গত একশ্ৰেণী মানুহক বুজাবলৈ লয়। অৰ্থাৎ ই এটি জাতিগত শব্দলৈ পৰিণত হয়। শেষত, এই জাতিগত শব্দটোৱে শাসক অথচ স্বাধীন অৰ্থৰ প্ৰতিনিধিত্ব কৰিবলৈ ল'লে। বৰ্তমান এই জাতিৰ পৰা বাঢ়ি ওলোৱা বিভিন্ন থাল বা বংশৰ নাম অনেক হৈছে। সেইবোৰে থলুৱা নামো লৈছে। যেনে— টাই, থাই, লু, খূন, য়ূন, লাও, ছাও, থ', মোং, পং, শান, ইত্যাদি।

খ্ৰীষ্টাব্দ শতিকা আৰম্ভ হোৱাৰ দুই তিনি শতিকাৰ পূৰ্বৰে পৰা চীনা বংশীয় ৰজা বা সম্রাটসকল টাই বিৰোধী হৈ উঠাৰ ফলত টাইসকলে মূল বাসস্থানৰ পৰা একাধিক সৰু সৰু দলত বিভক্ত হৈ দক্ষিণৰ য়ুনান, জেছুৱান আদি পাৰ্বত্য অঞ্চললৈ গৈ বসতি কৰিবলৈ বাধ্য হয়। কিন্তু তাতো চীনীয় শাসনকৰ্তাৰ আক্ৰমণ চলাত দক্ষিণ-পূব পিনে গৈ লাওছ, থাইলেণ্ড, ছালুইন উপত্যকা আদিত সোমায়। খ্ৰীষ্টাব্দ তৃতীয় শতিকা মানত টাইসকলৰ এটা বৃহৎ গোটে ব্ৰহ্মদেশত প্ৰৱেশ কৰে। এনেদৰে বিভিন্ন দেশত সিঁচৰতি হোৱাৰ ফলত তেওঁলোকৰ টাই-চীনীয় মূল সম্পৰ্ক লাহে লাহে ছিন্ন হ'বলৈ ধৰে। ব্ৰহ্মদেশৰ দক্ষিণে বিয়পি পৰা টাইসকলে ব্ৰহ্মদেশীয় শাসনৰ প্ৰভাৱত নিজৰ চিনাকি বহু পৰিমাণে হেৰুৱায়। উত্তৰ ব্ৰহ্মদেশত অৱশ্যে নিজ ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। এওঁলোক শ্বান (Shan) নামেৰে জনাজাত। এই উত্তৰ ব্ৰহ্মদেশৰ পৰাই বিভিন্ন সময়ত টাইসকল আহি ভাৰতৰ পূব অঞ্চলত অৰ্থাৎ অসমত প্ৰৱেশ কৰেহি। টাইসকল মূলত: এটা জাতি হ'লেও ৰাজনৈতিক কাৰণত বিভিন্ন অঞ্চলত বিয়পি পৰাৰ ফলত তেওঁলোক নতুন নতুন নামেৰে পৰিচিত হৈছিল। চীনদেশৰ টাইসকলে নিজকে টাই ন' বা টাই-নই বুলি কয় যদিও এওঁলোক টাই মাও, মাও-শান্, টাই-খে আদি নামেৰেও জনাজাত। ব্ৰহ্মদেশৰ টাইসকল টাইলং নামে জনাজাত যদিও তেওঁলোকক একুৰিতকৈও অধিক থলুৱা নামেৰে জনা যায়। থাইলেণ্ডত টাইসকল টাই বা থাই নামেৰে বিখ্যাত। লাওছত লাও, ছালুইন উপত্যকাত লু আৰু খুন আদি নামেৰে টাইসকল পৰিচিত। অসমত ঘাইকৈ ছয়টা টাই মানুহৰ ঠাল আছে। এওঁলোককো বিভিন্ন নামেৰে জনা যায়। যেনে— টাই খাম বা খাম টাই, টাই খামতি, টাই ফাকে, টাই আইতন, টাই তুৰুং, টাই খাময়াং আদিক যথাক্ৰমে আহোম, খামতি, ফাকিয়াল, আইতনীয়া, টুৰুং, নৰা, খামজঙীয়া আদি নামেৰে জনা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ টাইসকলৰ চমু পৰিচয় আগবঢ়াওক। (১০০টা শব্দৰ ভিতৰত লিখক)

৮.৪ অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান

ওপৰত উল্লেখ কৰি অহা হৈছে যে অসমত ঘাইকৈ ছটা টাই মানুহৰ ঠাল আছে। সেইকেইটা হ'ল— ১) আহোম, ২) খামতি, ৩) খাময়াং, ৪) ফাকিয়াল, ৫) টুৰুং আৰু ৬) আইতন। এই

কেউটা ঠালৰ ভিতৰত প্ৰথমে অসমলৈ অহা ঠালটো হৈছে আহোম। আহোমসকলে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে (১২২৮ খ্ৰীষ্টাব্দত) অসমত প্ৰৱেশ কৰে। এওঁলোকৰ পাছত কেবাটাও দলত বিভক্ত হৈ খামযাং বা নৰাসকল আহে। অষ্টাদশ শতিকাত খামতি, ফাকিয়াল আৰু আইতনসকলে অসমত প্ৰৱেশ কৰে। একেবাৰে শেহত, ঊনবিংশ শতিকাত টুৱংসকলে প্ৰৱেশ কৰে। এই কেউটা টাই মানুহৰ ঠালৰ ভিতৰত আকৌ আহোমসকল প্ৰধান। আহোমে অসম দেশত ছশ বছৰ ৰাজত্ব কৰে। এওঁলোকৰ ৰাজত্বকালতে অসম দেশৰ ৰাজনৈতিক, সামাজিক, ধাৰ্মিক জীৱনত বহু পৰিৱৰ্তনৰ সূত্ৰপাত হয়। আহোমসকলে ১২২৮ খ্ৰীষ্টাব্দত চুকাফাৰ নেতৃত্বত অসমত প্ৰৱেশ কৰা কালত প্ৰাচীন কামৰূপ ৰাজ্য ধৰ্মীয় দৃষ্টিকোণেৰে চাৰিটা পীঠত বিভক্ত হৈ আছিল— কামপীঠ, স্বৰ্ণপীঠ, ৰত্নপীঠ আৰু সৌমাৰপীঠ। এই পীঠসমূহৰ ভিতৰত চুতীয়া, কছাৰী, বৰাহী, মৰাণ, ভূঞা, কোঁচ আদি সকলে নিজ নিজ ৰজা বা দলপতিৰ অধীনত স্বতন্ত্ৰ ৰাজ্য পাতি আছিল। আহোমসকলে অসমলৈ আহিয়েই এই দেশত এক ভৌগোলিক একতা স্থাপন কৰে। 'সাত ৰাজ মাৰি এক ৰাজ' প্ৰতিষ্ঠা কৰে। সদিয়াৰ পৰা কৰতোয়ালৈকে অসম দেশক এক শাসনতন্ত্ৰৰ (অৰ্থাৎ আহোমৰ শাসনতন্ত্ৰ) তললৈ আনি অসমীয়া জাতীয় জীৱনৰ সংহতি সৌধ নিৰ্মাণ কৰে।

আহোমসকলৰ পৰাই দেশখনৰ নাম অসম হোৱা বুলি জনা যায়। পোনতে টাই-আহোম-সকলক এই দেশৰ বাসিন্দাসকলে আসাম্, আসম্ আৰু অচম্ বুলিছিল। পাছত তেওঁলোকে জয় কৰা ৰাজ্যখনক অসম বা আছাম নামেৰে বুজোৱা হ'ল। বাণীকান্ত কাকতিয়ে লিখিছে—"'অসম' শব্দটো প্ৰথমে শ্যানসকলৰ ক্ষেত্ৰত প্ৰয়োগ হৈছিল আৰু ইয়াৰ পাছত তেওঁলোকে জয় কৰা ৰাজ্যখনক, অৰ্থাৎ বৰ্তমান কামৰূপ জিলাৰ পূৱৰ অঞ্চলটোক বুজাবলৈ ধৰে। পাচৰ কালত ইয়াৰ ব্যৱহাৰ বহুল হয় আৰু ১৮৭৪ত বৃটিছে প্ৰদেশখন গঠন কৰোতে এই শব্দই সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাকে সামৰি লয়।"

আহোমসকলে অসমত প্ৰৱেশ কৰা কালত তেওঁলোকৰ নিজা সংস্কৃতি, ধৰ্ম, পৰম্পৰা আৰু ভাষা লগত লৈ আহিছিল। কিন্তু এই দেশত ৰাজত্ব কৰা কালত তাকেই খামোচ মাৰি ধৰি থকা নাছিল। তেওঁলোকে উদাৰ দৃষ্টিভঙ্গীৰে থলুৱা মানুহৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰে আৰু থলুৱা মানুহৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি জাতিগত সমন্বয় স্থাপনৰ চেষ্টা কৰে। লীলা গগৈয়ে লিখিছে— "জাতিগত সমন্বয় সদায়েই সংস্কৃতিৰ বিকাশত যাদুমন্ত্ৰৰ দৰে কাম কৰে। অসমতো আহোম যুগত সিয়ে ঘটিল। শাসকে পাহৰিলে নিজৰ সাংস্কৃতিক অহমিকা আৰু শাসিতে পাহৰিলে যে এটা বহিৰাগত শক্তিয়ে লাহে লাহে আটাইৰে সংস্কৃতিৰ সানমিহলি এটা পকা মিঠৈ পাতিছে। প্ৰাক্-আহোম যুগত চুকে চুকে বাস কৰি থকা 'জনজাতি'বোৰ গোট খাই 'জাতি'ত পৰিণত হ'ল।' একেদৰে, শাসক আহোমসকলৰ সংস্কৃতিৰ লগত থলুৱা সংস্কৃতিৰ সমন্বয় সাধনৰ স্বাভাৱিক পৰিণতিৰে অসমীয়া সংস্কৃতি গঢ় লোৱাৰ প্ৰক্ৰিয়াও আহোমসকলৰ আগমনৰ পৰাই ৰূপ ল'বলৈ আৰম্ভ কৰিলে। উল্লেখযোগ্য যে 'আহোম' শব্দটোৱেই 'অসম' আৰু 'অসমীয়া' শব্দৰ উৎস। আহোমসকলৰ আগমন নঘটা হ'লে এই দেশখনৰ নামো 'অসম' আৰু ইয়াৰ মানুহ, ভাষা আৰু সংস্কৃতিৰ নামো 'অসমীয়া' নহ'লহেঁতেন। সেয়ে আজিৰ অসমীয়া সংস্কৃতি বোলোঁতে টাইসকলৰ

অৱদান অনস্বীকার্য। অসমীয়া সংস্কৃতিলৈ টাইসকলৰ, বিশেষকৈ আহোমসকলৰ লেখৰ অৱদান-সমূহক আমি থোৱতে তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰোঁ।

৮.৪.১ ভাষা

টাই-আহোমসকল অসমত প্ৰৱেশ কৰা কালত তেওঁলোকৰ নিজা সুকীয়া ভাষা আছিল। কিন্তু অসমত ৰাজত্ব আৰম্ভ কৰাৰ লগে লগে তেওঁলোকে নিজৰ ভাষা ত্যাগ কৰি অসমীয়া ভাষাকহে ৰাজ্য শাসনৰ ভাষা ৰূপে গ্ৰহণ কৰিলে। এনেদৰে তদানীন্তন কালত অসমত প্ৰচলিত ভিন্ ভিন্ অনার্য্য ভাষাৰ মাজত আর্য্য অসমীয়া ভাষাক আহোম স্বৰ্গদেউসকলে প্ৰাধান্য দিয়াৰ ফলতে এক অসমীয়া ভাষী প্ৰান্তৰ সৃষ্টি হ'ল। তদুপৰি আহোমসকলে অসমীয়া ভাষাক ৰাজভাষা ৰূপে ব্যৱহাৰ কৰাৰ ফলত অসমীয়া ভাষাৰ মর্যাদা বাঢ়িল। লগতে ই অধিক শক্তিশালী হ'ল। অসমীয়া ভাষাত ৰজাঘৰীয়া ভাষালৈ নিয়া কার্য আহোমসকলৰ অসমীয়া সাংস্কৃতিক জীৱনলৈ অমূল্য দান। বিৰিঞ্চি কুমাৰ বৰুৱাই আহোমসকলৰ নিজ ভাষা ত্যাগ আৰু অসমীয়া ভাষা গ্ৰহণৰ সুদূৰপ্ৰসাৰী ফলশ্ৰুতিৰ বিষয়ে লিখিছে—"দেশৰ শাসকবৰ্গই নিজ আহোম ভাষাক ত্যাগ কৰি দেশৰ ঐক্য সাধন আৰু জাতিৰ বৃহত্তৰ সাংস্কৃতিক জীৱনৰ উন্নতিৰ কল্পে অসমীয়া ভাষাক গ্ৰহণ কৰাত দাঁতি-কাষৰীয়া জনজাতিসকলৈকো ই এটি মহান দৃষ্টান্ত হ'ল। দাঁতি-কাষৰীয়া জনজাতিসকলেও অসমীয়া ভাষাৰ প্ৰাধান্য স্বীকাৰ কৰি নিজৰ সাংস্কৃতিক জীৱনত অসমীয়া ভাষাক অতি আগ্ৰহেৰে ব্যৱহাৰ কৰিলে। জাতীয়তাবোধৰ প্ৰধান উপাদান হৈছে ভাষাৰ ঐক্য। বিভিন্ন ভাষাৰ ঠাইত এক অসমীয়া ভাষাক স্থাপন কৰি আহোমসকলে অসম দেশক এক ৰাষ্ট্ৰীয় বান্ধোনেৰে বান্ধিলে।" আহোমসকলে অসমলৈ আহি এই দেশৰ থলুৱা তিৰোতা বিয়া কৰাইছিল। ইয়াৰ ফলত পাছৰ পুৰুষসকলে মাতৃভাষা হিচাপে অসমীয়া ভাষাক গ্ৰহণ কৰাত সুবিধা হৈছিল। লীলা গগৈয়ে লিখিছে—"দেওধাই, মহন, বাইলুং আদি পুৰোহিত শ্ৰেণীৰ মানুহৰ বাহিৰে বাকীসকলে তিনি-চাৰিপুৰুষ মানৰ পাছৰ পৰাই আহোম ভাষাৰ চর্চ্চা এৰিবলৈ আৰম্ভ কৰিছিল নতুবা আহোম-অসমীয়া মিশ্ৰিত ভাষা ব্যৱহাৰ কৰিছিল।" উল্লেখ্য যে আহোমসকলে নিজৰ ভাষা এৰি অসমীয়া গ্ৰহণ কৰাত তেওঁলোকৰ ভাষিক উপাদান কিছুমান কিন্তু অসমীয়া ভাষাৰ মাজলৈ স্বাভাৱিকভাৱেই সোমাই আহিল। উদাহৰণ স্বৰূপে, শব্দগত দিশটোলৈকে দৃষ্টি দিব পাৰি। আহোম ভাষাৰ পৰা ভালেমান শব্দ অসমীয়া ভাষাত জীণ গৈছে। তেনে শব্দৰ ভিতৰত কাৰেং, জাপ, জান, ডোং, লাং-লাং থাং থাং, ৰাপ, চাং, ফাক, ফাট, পম, খাপ আদি উল্লেখযোগ্য। অসমৰ কিছু ঠাইৰ নামো আহোম ভাষাৰ পৰাই সৃষ্টি হৈছে বুলি জনা যায়। তাৰে ভিতৰত নামৰূপ, লালুক, চৰাইদেউ, নামদাং, নামছাং আদি প্ৰধান।



জানি থোৱা ভাল

Ahom Lexicon নামৰ গ্ৰন্থত আহোম ভাষাৰ ভালেমান শব্দ অসমীয়া ভাষাত পোৱা যায় বুলি উল্লেখ আছে। লীলা গগৈয়ে আহোম ভাষাৰ পৰা অহা কিছু অসমীয়া শব্দৰ এখন সৰু তালিকা কৰিছিল। তাৰে পৰা কিছু উদাহৰণ দিয়া হ'ল— টুপ (ঘৰৰ ওপৰৰ আগভাগ), ৰাপ (অনুৰাগ), চুট (গৰুৰ চুট), ডঁৰিক (ডঁৰিক চৰাই), ওলম (ওলমি পৰা), চাং (শুবলৈ বা থ'বলৈ বাঁহেৰে ওখকৈ সাজি উলিওৱা ব্যৱস্থা), হুকহুক (শব্দ কৰি কন্দা), ডাক (কামোৰা বা দংশন কৰা), ডোং (পানী জমা হোৱা ঠাই), ফাক (কোনো বস্তু সুমাই থোৱা সঁজুলি), জাপ (ভাঁজ কৰা), বেঙা (আঁকৰা), বেবা (চিঞৰা), বান (খুৰা লগোৱা ওখ পাত্ৰ), ফাট (হাট বহা বা কৰ লোৱা ঠাই), পম (গলি যোৱা), টিপ (হেঁচি বহুৱাই দিয়া), টং (গমি চোৱা), লিকচৌ (লগুৰাৰ লগৰ), পুং (খনি), ফুট (অৱস্থাৰ জোখ), হাই (কাজিয়া), খাং (বাঁহেৰে সজা বস্তু ৰখা সঁজুলি), ফাঁই (খং), লিংলাং (অথালি-পথালি), লাংঠাং (খেলি-মেলি) ইত্যাদি।

বাণীকান্ত কাকতিয়েও তেওঁৰ *Assamese; Its Formation and Development* গ্ৰন্থত এনে কিছু উদাহৰণ দাঙি ধৰিছে। যেনে— পাং (চক্ৰান্ত কৰা), পোখা (গজালি), ফাং (ফাকি), ৰূপ-বান(ধন-সম্পত্তি), বাং (বিন্ধা), জান (তৰাং নলা), জেকা (সেমেকা), জেঙা (অসুবিধাজনক অৱস্থা), চেং (নকল চুলি), থোঙা (মোনা), কাৰেং (ওখ প্ৰাসাদ), বুৰঞ্জী (ইতিহাস), চকলং (বিবাহ পদ্ধতি) আদি।

৮.৪.২ সাহিত্য

আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত অসমীয়া সাহিত্যৰ উৎকৰ্ষসাধন অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অন্যতম অৱদান ৰূপে স্বীকৃত। সাহিত্য বিষয়ৰ সাংস্কৃতিক অৱদানৰ ক্ষেত্ৰত প্ৰধান আৰু বৈশিষ্ট্যপূৰ্ণ অৱদানটি হৈছে 'বুৰঞ্জী-সাহিত্য'। 'বুৰঞ্জী-সাহিত্য' নামেৰে নাইবা ইয়াৰ সম্পূৰ্ণ নিজা বৈশিষ্ট্যৰে পূৰ্ণ সাহিত্য ভাৰতবৰ্ষৰ অন্য প্ৰান্তত আছে বুলি জনা নাযায়। অৰ্থাৎ বুৰঞ্জী সাহিত্য ভাৰতীয় প্ৰাদেশিক ভাষাবোৰৰ ভিতৰতে একক আৰু অতুলনীয় সম্পদ।

আহোম যুগৰ বুৰঞ্জীসমূহৰ ভিতৰত *পুৰণি অসম বুৰঞ্জী, সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জী, দেওধাই অসমবুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, চাংৰুং ফুকনৰ বুৰঞ্জী, পাদশ্যাহ বুৰঞ্জী, তুংখুঙ্গীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, বাঁহগৰীয়া বুৰঞ্জী, চকৰীফেটি বুৰঞ্জী* আদি উল্লেখযোগ্য।

বুৰঞ্জী লিখা প্ৰথাটো আহোমসকলৰ জাতিগত প্ৰথা আছিল। প্ৰথম গৰাকী আহোম স্বৰ্গদেউ চুকাফা অসমলৈ আহোঁতে এই প্ৰথা লগতে লৈ আহিছিল। *দেওধাই*

*অসম বুৰঞ্জী*ৰ মতে স্বৰ্গদেউ চুকাফাই অসমত প্ৰৱেশ কৰাৰ লগে লগে লগত অহা আহোম পণ্ডিতক বুৰঞ্জী প্ৰণয়ন কৰিবলৈ আদেশ দিছিল এইদৰে— "যেতিয়া যি কথা কয়, যি কৰে, যাক পাওঁ সকল কথা পণ্ডিতে লেখি ৰাখিব।' আহোমসকলে বুৰঞ্জী লিখা আৰু সংৰক্ষণ কৰাটো এটা প্ৰধান আৰু পৱিত্ৰ কৰ্ম বুলি মানিছিল। বুৰঞ্জীক ধৰ্ম-সাধন আৰু জ্ঞান অৰ্জনৰ মাধ্যম হিচাপে গণ্য কৰিছিল। চকলং কৰিবৰ সময়ত দৰা-কইনাই বুৰঞ্জীৰ কাহিনী শুনাৰ নিয়ম প্ৰচলিত। সম্ভ্ৰান্ত আহোম পৰিয়ালত বুৰঞ্জী এখন থকাটো সন্মানৰ কথা স্বৰূপে গণ্য হৈছিল। বুৰঞ্জী লিখাৰ কাৰণে উপযুক্ত লোকৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছিল। লিখাৰ তত্ত্বাৱধান ল'বলৈ চিৰিং ফুকন নামৰ বিষয়া নিযুক্ত কৰা হৈছিল। স্বৰ্গদেউৰ উপৰি বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্ৰগোহাঁই, বৰবৰুৱা আদিৰ দৰে ওখ খাপৰ ৰাজবিষয়াসকলৰ আদেশত বুৰঞ্জী লিখা হৈছিল।

অসমীয়া ভাষা ৰাজভাষা হিচাপে গ্ৰহণ কৰাৰ পূৰ্বে আহোম ভাষা আৰু আহোম লিপিতে বুৰঞ্জীবোৰ প্ৰণয়ন কৰা হৈছিল; কিন্তু অসমীয়া ভাষা গ্ৰহণ কৰাৰ পিছৰে পৰা অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ পৰম্পৰা আৰম্ভ হৈছিল। বুৰঞ্জীৰ ভাষা প্ৰাঞ্জল আৰু কথিত ভাষাৰ ওচৰ চপা। আহোমৰ বুৰঞ্জী তথ্য পাতিৰ ওপৰত নিৰ্ভৰ কৰি লিখা ইতিহাস গ্ৰন্থ হ'লেও এইবোৰ ভাষা আৰু সাহিত্যৰ উপাদানেৰে সমৃদ্ধ। বুৰঞ্জীত উপকথা, প্ৰবাদ, ফকৰা-যোজনা, প্ৰবচন, অৰ্থব্যঞ্জক খণ্ডবাক্য, ইত্যাদি সোণত সুৰগা চৰাই ব্যৱহাৰ কৰা হৈছে বাবেই ই ওখ খাপৰ সাহিত্যলৈ ৰূপান্তৰিত হৈছে। সূৰ্যকুমাৰ ভূঞাৰ ভাষাত, "বুৰঞ্জীৰ কথা শুকান হাড়-ছাল নহয়; তাত ভাবৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেইদেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা আনি বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সঙ্গম বৃটিছৰ পূৰ্ব যুগৰ কোনো ভাৰতীয় সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।"

বুৰঞ্জীৰ উপৰি আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত বিভিন্ন আয়ুৰ্বেদ আৰু জ্যোতিষ শাস্ত্ৰ, দৰ্শন শাস্ত্ৰ, বিবিধ জ্ঞান-বিজ্ঞানৰ পুথি, পদ-কীৰ্ত্তন-নাট আদিও ৰচিত হৈছিল। উদাহৰণস্বৰূপে স্বৰ্গদেউ শিৱসিংহৰ পৃষ্ঠপোষকতাত শুভনাথ দ্বিজে *ধৰ্ম্ম-সংবাদ*, কবিৰাজ চক্ৰৱৰ্তীয়ে *গীতগোবিন্দ*, *শঙ্খচূড় বধ*, *ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ* আৰু *শকুন্তলা কাব্য* ৰচনা কৰিছিল। এনেদৰে আহোম ৰজাঘৰৰ সহায় পোৱাৰ ফলত অসমীয়া সাহিত্যৰ পৰিসৰ আৰু পৰিধি বৃদ্ধি হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত কি শ্ৰেণীৰ সাহিত্যই গঢ় লৈছিল? সেই বিষয়ে চমুকৈ লিখক।

(১০০টা শব্দৰ ভিতৰত লিখক)

৮.৪.৩ ধর্ম

পূর্বতে আহোমসকল তাও ধর্মাৱলম্বী লোক আছিল বুলি প্রমাণ পোৱা যায়। চুকাফাই অসমত প্রৱেশ কৰোঁতে উপাস্য হিচাপে চোমদেওক লগত লৈ আহিছিল। চোমদেৱক তেওঁলোকে কুলদেৱতা জ্ঞান কৰিছিল। উল্লেখ্য যে চোমদেৱ প্রকৃততে দেৱমূর্ত্তি নহয়। এডোখৰ বহুমূলীয়া ৰত্ন মাত্র। দেওধাই অসম বুৰঞ্জীত উল্লেখ থকা মতে এই চোমদেৱক পূজা কৰিলে 'ৰাজ্য সম্পত্তি নুগুচে, ঐশ্বর্য নুগুচে, শত্রুক জিনিব পাৰে, লখিমী ঈশ্বৰে আপুনি থাকে'।

আহোমসকলৰ প্রধান উপাস্য দেৱতা আছিল লেংদন। লেংদনক বছৰি দুবাৰ পূজা কৰা হৈছিল। এই পূজাক স্বৰগ পূজা বোলা হয়। ইয়াৰ ভাগ দুটা — ওম্ফা আৰু চাইকা। ওম্ফা ৰজাঘৰৰ আৰু চাইকা প্রজাৰ বাবে। ইয়াৰ লগতে মে-ডাম-মেফী, ফুৰালুং, ডাম, জাচিংফা, ৰিক্খন, ম্যুংখন পূজাৰ প্রচলন আছিল। এনে নিজস্ব ধর্মীয় আদর্শ থকা স্বত্বেও আহোমসকলে কিন্তু তেওঁলোকৰ ধর্মমত প্রজাৰ ওপৰত জাপি দিয়া নাছিল। ৰৰং তেওঁলোকেহে প্রজাৰ ধর্মৰ প্রতি ক্রমাৎ আকৃষ্ট হৈছিল। লীলা গগৈৰ মতে অসমত বাস কৰাৰ চাৰিশ বছৰ মানৰ পাছৰ পৰা আহোমসকল হিন্দু হ'বলৈ আৰম্ভ কৰে আৰু স্বর্গদেও ৰুদ্রসিংহৰ দিনৰ পৰা হিন্দুধর্ম ৰাজধর্ম হৈ পৰে। এনেদৰে হিন্দুধর্ম ৰাজধর্ম ৰূপে স্বীকৃত হোৱাত আহোমসকল হিন্দুধর্মীসকলৰ আপোন হৈ পৰে। অকল সেয়ে নহয়, হিন্দুধর্মৰ প্রচাৰ, চর্চা আৰু সংৰক্ষণৰ অর্থে ব্রাহ্মণ, পণ্ডিত-পুৰোহিতসকলক মাটি-বৃত্তি দি, দ'ল-দেৱালয় নির্মাণ কৰি দিয়ে। নৱবৈষ্ণৱ ধর্মৰ ধর্মাচার্যসকলকো বিভিন্ন সত্রাদি পতাত সহায় কৰি অসমত ধর্মীয় চিন্তা চর্চাৰ পৰিৱেশ ৰচনাত সহায় কৰে।

জাতি-ধর্ম-বর্ণ আদিৰ বাছ-বিচাৰত আহোম ৰজাসকল আছিল উদাৰ। স্বর্গদেওসকলে হিন্দুধর্ম গ্রহণ কৰিলেও হিন্দু ধর্মৰ সংৰক্ষণশীলতা মানি চলা নাছিল। সেই কাৰণেই ব্রাহ্মণ, গণক, কায়স্থ, কলিতা, এই চাৰি জাতিক এৰি সকলোকে এটা চৰু কৰোঁ বুলি বৰচ'ৰাৰ খোলাত চাউদাঙৰ হতুৱাই ভাত ৰন্ধাই খুৱাইছিল আৰু এনেদৰেই সকলোৰে মাজত একতা আৰু আত্মীয়তা গঢ়ি তুলিছিল। পণ্ডিতসকলৰ মতে এটা জাতি হিচাপে ঐক্য-সংহতি স্থায়িত্বকৰণত এনে প্রীতিভোজৰ গুৰুত্ব অপৰিসীম। মুঠতে ধর্মীয় সঙ্কীর্ণতাই ঠাই নোপোৱাকৈ ধর্ম চর্চাৰ মুকলি ক্ষেত্রৰ নির্মাণ কৰি আহোমসকলে অসমত অসমীয়া ধর্ম-সংস্কৃতিৰ বিকাশৰ পথ সুগম কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আহোমসকলো কি ধর্ম অনুসৰণ কৰিছিল ? (৫০টা শব্দৰ ভিতৰত লিখক)

৮.৪.৪ স্থাপত্য আৰু ভাস্কর্য

অসমীয়া সংস্কৃতিৰ স্থাপত্য আৰু ভাস্কর্যৰ ক্ষেত্রতো টাই-আহোমসকলৰ অৱদান লেখত ল'বলগীয়া। আহোম যুগৰ স্থপতি বিদ্যাৰ অৱদানক আমি চাৰিটা শ্রেণীত অন্তর্ভুক্ত কৰিব পাৰোঁ। সেইকেইটা হ'ল— ১) দ'ল-দেৱালয়, ২) অট্টালিকা, ৩) সাঁকো আৰু ৪) মৈদাম। ইয়াৰে দ'ল আকৌ তিনিবিধ— শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱী দ'ল।

আহোম স্বর্গদেউসকলৰ ভিতৰত মন্দিৰ স্থাপত্য নির্মাণৰ ক্ষেত্রত পৃষ্ঠপোষকতা আগবঢ়োৱা প্রথমজন ব্যক্তি হ'ল স্বর্গদেউ চুচেনফা (১৪৩৯-১৪৮৮ চন)। বুৰঞ্জীত উল্লেখ থকা মতে এইগৰাকী স্বর্গদেউৱে ১৪৮০ চনত নাগশঙ্কৰ দেৱালয় নির্মাণ কৰে। ইয়াৰ পাছৰে পৰা আহোম স্বর্গদেউসকলে অসমত দ'ল দেৱালয় নির্মাণ বা পুনঃনির্মাণৰ ধাৰা অব্যাহত ৰাখে।

স্বর্গদেউসকলে নির্মাণ কৰা দ'ল-দেৱালয়সমূহৰ নাম তালিকা এখন লীলা গগৈয়ে *টাই সংস্কৃতিৰ ৰূপৰেখা* গ্রন্থত সন্নিৱিষ্ট কৰিছে। তাৰে পৰা কিছু সংখ্যকৰ নাম তলত উল্লেখ কৰা হ'ল— নাগশঙ্কৰ দেৱালয়, কৰতোয়া দ'ল, মাই দ'ল, বিশ্বনাথ দ'ল, দেৰগাঁৱৰ পুৰণি দ'ল, চেঁচামুখৰ ৰাইডঙীয়া দ'ল, মাইবেলা দ'ল, বাসুদেৱ মন্দিৰ, বশিষ্ঠাশ্রমৰ দ'ল, ৰহদৈৰ দ'ল, উমানন্দৰ দ'ল, থাওৰা দ'ল, বিশ্বনাথ মন্দিৰ, চণ্ডী মন্দিৰ, খঁৰা দ'ল, জয়দ'ল (কেশৰৰাই), বৈদ্যনাথ শিৱদ'ল, দেৱী ঘৰ, শ্রীসূর্যমন্দিৰ, শ্রীগণেশ মন্দিৰ, ৰঙ্গনাথ শিৱদ'ল, ফাকুৱা দ'ল, ৰৰপাত্র দ'ল (কেন্দুগুৰি), ৰংপুৰৰ কাৰেঙৰ দ'ল, নন্দীকেশ্বৰ, সৌভাগ্য-মাধৱ, ফুলবাৰী দেৱালয়, যোগেশ্বৰ দেৱালয়, ধেন্দাই শিৱদ'ল, হলেশ্বৰ দেৱালয়, শুক্লেশ্বৰ দেৱালয়, গৌৰীসাগৰৰ শিৱ দ'ল, বিষ্ণু দ'ল, দেৱী দ'ল, শিৱসাগৰৰ শিৱ দ'ল, বিষ্ণু দ'ল, দেৱী দ'ল, অশ্বক্রান্ত মন্দিৰ, উগ্রতাৰা মন্দিৰ, ৰৰপাত্র দ'ল (কালুগাঁও), ৰুদ্রপদ দেৱালয়, ভৈৰৱপদ দেৱালয়, ফুলবাৰী দ'ল, গোপেশ্বৰ শিৱ মন্দিৰ, মণিকর্ণেশ্বৰ মন্দিৰ, কামাখ্যাৰ নাট মন্দিৰ, নেঘেৰিটিঙৰ দ'ল, শুক্রেশ্বৰ জনার্দন মন্দিৰ, ৰুদ্রেশ্বৰ মন্দিৰ, কামাখ্যা মন্দিৰ, হাতীমূৰা দুর্গামন্দিৰ, বাসুদেৱ দ'ল, বশিষ্ঠাশ্রমৰ মন্দিৰ, চিত্রাচল, নৱগ্রহ মন্দিৰ, নীলাচলৰ কেদাৰ মন্দিৰ, বগী দ'ল, ৰুদ্রসাগৰৰ দ'ল, গৌৰীবল্লভ দ'ল, ঈশ্বানেশ্বৰ শিৱদ'ল, নাফুকী ৰাজমাও দ'ল, বুঢ়ীগোসাঁনী দেৱালয়, হাতীগড় দেৱালয়, মাঘোৱা দ'ল, ছত্রাকাৰ দেৱালয়, কামাখ্যাৰ (শিলঘাট) তামৰ ঘৰ, হয়গ্রীৱ মাধৱ দেৱালয়, হাতীগড় দেৱালয় ইত্যাদি।

আহোমসকলে নির্মাণ কৰা মন্দিৰ স্থাপত্যৰ ভিতৰতে প্রখ্যাত শিৱসাগৰৰ শিৱদ'লটো আটাইতকৈ ডাঙৰ আৰু ওখ। এই শিৱদ'ল গর্ভগৃহ, গোপুৰম, মণ্ডপ আৰু তোৰণৰ সমষ্টি। উত্তৰ ভাৰতীয় নাগৰশৈলী বা ৰেখাদেউলৰ সৰল সংস্কৰণ এটা এই দ'লটোৰ গাত ফুটি উঠিছে। জয়সাগৰৰ পশ্চিম পাৰৰ নামনিত 'নাতি গোসাঁইৰ দ'ল' বুলি এটা সম্পূর্ণ গৌড়ীয় আর্হিৰ সৰু দ'ল আছে। এইটো পোৰামাটি ভাস্কর্যৰ উৎকৃষ্ট

আহোমযুগীয় নিদর্শন। আনহাতে, ওখ ভেটি আৰু খট্‌খটি সংলগ্ন আঠকোণীয়া ফাকুৱা-দ'লৰ পৰিকল্পনা আহোম স্থাপত্যৰ আটাইতকৈ আকর্ষণীয় আৰু বৈশিষ্ট্যপূর্ণ নির্মাণকার্য।

অট্টালিকাৰ ভিতৰত গড়গাঁৱৰ কাৰেং, ৰংপুৰৰ তলাতল ঘৰ আৰু ৰংঘৰ, গোলাঘৰ আদি উল্লেখযোগ্য স্থাপত্য। এইবিধ স্থাপত্যৰ বিষয়ে লীলা গগৈয়ে লিখিছে, "আহোম ৰাজত্বত নির্মিত হোৱা যথেষ্ট সংখ্যক দ'ল দেৱালয় আছে, কিন্তু ৰাজ-অট্টালিকাৰ সংখ্যা মুঠেই তিনিটা— গড়গাঁৱৰ কাৰেংঘৰ, ৰংপুৰৰ ৰংঘৰ আৰু তলাতল ঘৰ। এই তিনিওটাৰ ভিতৰত গড়গাঁৱৰ কাৰেংঘৰ আৰু ৰংপুৰৰ তলাতল ঘৰ এই দুয়োটাৰে নির্মাণ পদ্ধতি আচৰিত ধৰণৰ। ইহঁতৰ মাটিৰ তলে তিনি মহলা, ওপৰে তিনি মহলা আৰু মাটিৰ সমানে এক মহলা। দুয়োটা অট্টালিকাক সংযোগ কৰাকৈ মাটিৰ তলেদি প্রায় আঠ মাইল দীঘল এটা পকী সুৰঙ্গ থকাৰ কথাও বুৰঞ্জীত পোৱা যায়। গড়গাঁৱৰ কাৰেঙৰ দুৱাৰমুখত চীন-দেশীয় ড্রেগনৰ আর্হিত কৰালেৰে নির্মিত এহাল ড্রেগনৰ ছবি থকাৰো চিন পোৱা যায়।"

সাঁকোৰ ভিতৰত নামদাং নৈৰ শিলা-সাঁকোৰ গাঁথনি উৎকৃষ্ট। দৰিকাৰ শিলা-সাঁকো আৰু দিজৈৰ শিলা-সাঁকো আদিও লেখত ল'বলগীয়া। আহোম যুগত মুঠতে দহখন শিলা-সাঁকো নির্মাণৰ কথা বুৰঞ্জীত পোৱা যায়। কিন্তু ওপৰত উল্লেখ কৰা সাঁকোকেইখনৰ বাহিৰে আনবোৰ (যেনে— ডিমৌৰ শিলা-সাঁকো, ৰহদৈ শিলা-সাঁকো, নাফুকৰ শিলা-সাঁকো আদি) এতিয়া ধ্বংস-স্তূপত পৰিণত হৈছে।

টাইসকলে পৰম্পৰাগতভাৱে মৃতকৰ শ মৈদামত দিছিল। এই মৈদাম ইজিপ্তৰ পিৰামিডৰ লগত মিলে। অসমৰ মৈদামবিলাক সৰু আৰু ওপৰলৈ ঘূৰণীয়া বা টৌমূৰীয়া। স্বর্গদেউ চুকাফাৰ দিনৰ পৰা শেষ ৰজা পুৰন্দৰ সিংহৰ দিনলৈকে ৰজা, ৰাণী, কোঁৱৰ, কুঁৱৰী, ডা-ডাঙৰীয়া বা বৰুৱা বা ফুকনকে ধৰি সকলোৰে 'শ' মৈদামত থোৱা হৈছিল। কেৱল শেষৰফালৰ কেবাজনো স্বর্গদেওৰ অন্তিম কার্য কাঠ সংস্কাৰৰ দ্বাৰা হৈছিল যদিও তেওঁলোকৰো অস্থি-ভস্ম আনি তাৰ ওপৰত মৈদাম বন্ধা হৈছিল। মৈদাম প্রধানকৈ চৰাইদেউত বন্ধা হৈছিল। চৰাইদেউত থকা আহোমৰ মৈদাম স্থাপত্যৰ ভিতৰত শিল ইটাৰে নির্মিত মৈদামসমূহ বৈশিষ্ট্যপূর্ণ। এনে মৈদাম সাজিবৰ বাবে একোটা সৰু পাহাৰৰ মূৰভাগ সমান কৰি তাৰ মাজ অংশত একোটা আহল বহল আৰু গভীৰ আয়তাকাৰ গাঁত খান্দি শিল আৰু ইটাৰে একোটা দুর্ভেদ্য গহ্বৰ সৃষ্টি কৰা হৈছিল। এই গহ্বৰৰ ডাঠ বেৰবোৰৰ ওপৰ অংশত থিয় বেৰৰ গাঁথনি গঢ়ি ওপৰ অংশটো দ'লৰ লেখীয়াকৈ সজা হৈছিল। এই ঘৰটোৰ ভিতৰত শৱদেহ থোৱাৰ পাছত ইয়ালৈ সোমোৱা বাটটো ডুখৰীয়া শিলেৰে বন্ধ কৰি ওপৰত মাটিৰে টৌমূৰীয়া ঢিপ এটা সাজি দিয়া হৈছিল।

আহোমৰ স্থাপত্যৰ লগত ভাস্কর্যৰো সংযোগ ঘটিছিল। মন্দিৰবোৰ লতা, ফুল, জীৱ-জন্তুৰ মূর্তি, দেৱ-দেৱীৰ ছবি, প্রাকৃতিক দৃশ্য আদিৰে ভাস্কর্য-খচিত কৰা হৈছিল। ভাস্কর্যসমূহ সাধাৰণতে সমুখৰে কাটি উলিওৱা আৰু নক্সা বা চিত্রবোৰ আঁকা হৈছিল একাষৰীয়াকৈ।



জানি থোৱা ভাল

গুৱাহাটীৰ নীলাচল পাহাৰত কামাখ্যা মন্দিৰ আছে। ইয়াৰ মূল মন্দিৰটো কোঁচ ৰজা নৰনাৰায়ণে আনুমানিক ১৫৬৫ চনত নির্মাণ কৰিছিল। কিন্তু স্বর্গদেৱ কমলেশ্বৰ সিংহদেৱে কলিয়াভোমোৰা বৰফুকনৰ হতুৱাই এই কামাখ্যা মন্দিৰৰ তামৰ ঘৰটো নির্মাণ কৰিছিল।

আহোম ৰাজত্বৰ সময়ত যিসকল ৰজাই এই দ'ল-দেৱালয়সমূহ নির্মাণ কৰিছিল তাৰ ভিতৰত উল্লেখযোগ্য তিনিজন স্বর্গদেউ হ'ল— স্বর্গদেউ ৰুদ্রসিংহ, শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহ। এই তিনিজনা স্বর্গদেউৰ দিনতে আটাইতকৈ বেছি সংখ্যক দ'ল-দেৱালয় নির্মাণ হৈছিল।



অনুশীলনী ৮.১

আপুনি বাস কৰা অঞ্চলটোত থকা আহোমৰ দিনৰ শিল্প-স্থাপত্য-ভাস্কর্যৰ নিদর্শসমূহ চিনাক্ত কৰি সেইসমূহৰ বিষয়ে চমু পৰিচয়াত্মক টোকা লিখক।

৮.৪.৫ চিত্রকলা

দ'ল-দেৱালয় আৰু ৰংঘৰ কাৰেংঘৰৰ গাত থকা ভাস্কর্য তথা চিত্র-ৰাশিৰ লগতে আহোম যুগত সাঁচিপতীয়া পুথিচিত্রৰ মাজেৰে চিত্রকলাৰ চর্চা আৰু বিকাশ সাধনৰ চেষ্টা লক্ষ্য কৰা যায়। আহোম যুগত ৰচনা কৰা কেইবাখনো সাঁচিপতীয়া পুথিৰ পাতত পুথিৰ অভিপ্রেত কথাৰ বর্ণনামূলক চিত্র অঙ্কন কৰা হৈছিল। এইক্ষেত্রত ধর্মপুৰাণ, বৃহৎ *ঊষাহৰণ*, *গীতগোবিন্দ*, *শঙ্খচূড় বধ*, *আনন্দলহৰী* আৰু *হস্তীবিদ্যার্ণৱ* আদিত অঙ্কিত চিত্রৰ কথা উল্লেখ কৰিব পাৰি। ইয়াৰে *শঙ্খচূড় বধ*, *হস্তীবিদ্যার্ণৱ*আদি পুথিত আৰু কিছুমান বুৰঞ্জীত সেই সময়ৰ বাস্তৱ জীৱনৰ আভাস থকা চিত্রও আছে। প্রফুল্ল দত্ত গোস্বামীয়ে *অসমীয়া সংস্কৃতি*নামৰ প্রবন্ধত এই চিত্রবোৰৰ বৈশিষ্ট্য সম্পর্কে লিখিছে— "চিত্রবিলাকত কেইবাটাও ৰঙৰ সমাৱেশ দেখা যায়। এইবিলাকত মোগল যুগৰ মধ্যভাৰতীয় চিত্রাঙ্কণ পদ্ধতিৰ প্রভাৱ পৰিছে। তথাপি পুথি কিছুমানৰ পাতত চালে কিছুমান নক্সা দেখা যায় যিবিলাকে কছাৰী, নগা আদি লোকৰ কাপোৰ-কানি, বাছন-বর্তন আদিত আঁকা চানেকিৰ কথা সততে মনত পেলায়।" আহোমসকলৰ বিদ্যাৰ প্রতি থকা অনুৰাগ আৰু শিৱসিংহ, ৰুদ্রসিংহ আদি স্বর্গদেউসকলৰ এই বিষয়ত নিজে বাট দেখুৱাবলৈ সমর্থ হোৱাৰ বলতে দৰাচলতে অসমীয়া সংস্কৃতিয়ে এইদৰে সাহিত্য আৰু চিত্রাঙ্কনৰ দিশে বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে। প্রিয় শিক্ষার্থী, এই পাঠ্যবিষয়ৰ অন্তর্গত এয়োদশ অধ্যায়ত অসমৰ স্থাপত্য-ভাস্কর্য

আৰু পুথি-চিত্ৰ আলোচনাৰ শিতানত এই বিষয়ে অধিক তথ্য সন্নিৱিষ্ট কৰা হৈছে কাৰণে ইয়াত আহোম যুগৰ চিত্ৰ কলাৰ সম্পৰ্কীয় আলোচনা চমুৱাই থোৱা হ'ল।



জানি থোৱা ভাল

আহোম যুগত নানা জাতি উপজাতিৰ সংমিশ্ৰণৰ ফলত যি এক নতুন শিল্প-ৰীতিয়ে গঢ় লৈছিল তাক বিৰিঞ্চি কুমাৰ বৰুৱাই আর্য্য-আহোম শিল্প-পদ্ধতি বুলি আখ্যা দিছে। তেওঁ *অসমীয়া ভাষা আৰু সংস্কৃতি* গ্ৰন্থত লিখিছে, "চিত্ৰাঙ্কনৰ বাহিৰে অন্য বিষয়তো এই শিল্প-ৰীতি প্ৰকাশ পাইছিল। সাধাৰণ মানুহৰ ঘৰ-বাৰী আনকি ডা-ডাঙৰীয়াসকলৰ টুপ-লগোৱা গৃহও কাঠ-বেত-বাঁহ-খেৰ-ইকৰাৰে শুৱনিকৈ নির্মাণ কৰা হৈছিল। এইবোৰত গৃহনির্মাণ-নিপুণতাৰ বাহিৰেও সৌন্দর্যবোধ আৰু পৰিপাট্যৰ পৰিচয় আছে। বিভিন্ন ধৰণৰ আসন (সিংহাসন, শয্যা, পীড়া, দোলা ইত্যাদি), পেড়া-পেটাৰি, তাঁত-শাল আৰু খেতিৰ আহিলা-পাতি আদি দৈনন্দিন ব্যৱহাৰৰ সাধাৰণ কাঠ-বাঁহৰ বস্তুও মনোৰম ৰহণ আৰু মণ্ডন কার্যেৰে সুশোভিত কৰা হৈছিল। বেত-বাঁহৰ খৰাহি, পাচি, তুলা-চালনী, জপা-জাপি, ঢাৰি-পাটি, কঠ-ঢৰা, বিচনি আদিত ৰহণ সনা আৰু ফুল কটা হৈছিল। মাটি, কাঁহ, পিতল, হাতীদাঁতৰ শিল্পৰ উন্নতিৰ নিমিত্তে কুমাৰ, কঁহাৰ, মৰীয়া আদি শিল্পীসকলক ৰজাঘৰৰ পৰা সহায় কৰা হৈছিল।"

৮.৪.৬ বস্ত্ৰশিল্প, অলঙ্কাৰ আৰু অন্যান্য

অসমীয়া বস্ত্ৰ-সম্ভাৰে অসমীয়া মানুহৰ পৰিশীলিত ৰুচিৰ আৰু সাংস্কৃতিক সমৃদ্ধিৰ পৰিচয় বহন কৰি আহিছে। আনকি বস্ত্ৰ পৰিধানৰ নিজস্ব ৰীতিয়েও তাৰ সাক্ষ্য দিয়ে। অসমীয়াৰ বস্ত্ৰশিল্প আৰু পিন্ধন-উৰণৰ বিশিষ্ট ৰীতি গঢ়াৰ ক্ষেত্ৰত আহোমসকলৰ অৱদান অনস্বীকার্য। লীলা গগৈয়ে *আহোমসকলৰ সংস্কৃতিক অৱদান*ৰ বিষয়ে লিখোঁতে কৈছে— "মুগা পোহা আৰু মুগা-কাপোৰ পৰিধান কৰা আৰু পাটশিল্পৰ প্ৰসাৰ সাধন কৰা এই দুয়োটা বিষয়তে আহোমসকল আগবঢ়া আছিল আৰু আজিও আগবঢ়া। আহোমসকলৰ পূর্বপুৰুষ টাইসকলে ২৫০০ খ্ৰীঃপূর্বতেই ৰেচম শিল্পৰ ব্যৱহাৰ জানিছিল। তদুপৰি ৰজাঘৰীয়া মান-মর্যাদাৰ ক্ষেত্ৰতো সাজপাৰৰ নিয়ম-কাৰণ বান্ধি দিয়াত বিভিন্ন ধৰণৰ সাজপাৰ আৰু পিন্ধন উৰণৰ উৎকর্ষ সাধন হৈছিল।"

আহোমৰ দিনত চোমনি গাঁও, চোমদাৰ, যুগী, জোলা, কাটনি আদি গাঁও আৰু খেল পাতি দিয়াৰ প্ৰসঙ্গও উল্লেখযোগ্য। বাৰভূঞাৰ বুৰঞ্জীত আছে, "কপাহ কাটনি, পাট-কাটনি, জোলা কাটনি আৰু মেজাং কাটনি এই চাৰিটা কাটনি খেল পাতি চাৰিজন ভূঞাক উক্ত কাটনি খেলৰ মুখ্য কৰি দিছিল।" লগতে, গুণা কাটিবৰ বাবে গুণাকটীয়া খেলো পাতি দিছিল। এনেবোৰ কাৰণৰ পৰিপ্ৰেক্ষিতত বস্ত্ৰশিল্পৰ শ্ৰীবৃদ্ধি হোৱাত সহায় হৈছিল। মন কৰিবলগীয়া কথা যে কেৱল আহোমসকলেই নহয়, টাইসকলৰ অন্যান্য

ঠাল ফাকে, খামতি, আইতন, তুৰুং আৰু খাময়াংসকলৰ মাজতো ৰং বিৰঙৰ দীঘে-পুতলে গাৰি দিয়া কাপোৰ বৈ উলিওৱাৰ প্রথা প্রচলিত। কপাহী আৰু পাট কাপোৰত ৰং দিয়াৰ ক্ষেত্রতো এওঁলোকৰ শিপিনী সিদ্ধহস্ত।

আহোমসকলৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ বস্তুগত দিশ সমৃদ্ধ হোৱাৰ উদাহৰণ হিচাপে অলঙ্কাৰৰ কথা আলোচনা কৰিব পাৰি। নগেন শইকীয়াই 'অসমীয়া অলঙ্কাৰ' শীর্ষক এটি লেখাত কৈছে— "সৰহখিনি অসমীয়া অলঙ্কাৰ আহোম শাসন কালত গঢ় লৈ উঠে। টাই-আহোমসকলে উত্তৰ-ব্রহ্ম আৰু তাৰো আগতে ইউনানত থকাৰ সময়ৰে পৰা সোণৰ বহুমূলীয়া বাখৰ পতা অলঙ্কাৰ ব্যৱহাৰ কৰাৰ কথা পোৱা যায়। অসমত মধ্যযুগত আহোম শাসন প্রতিষ্ঠা হোৱাৰ সময়ৰ পৰা সোণ, ৰূপ, তাম আৰু পিতলৰ অলঙ্কাৰে এটা নিজস্ব ৰূপ ল'বলৈ ধৰিলে।" আহোমসকলে নতুন গঢ়ৰ যিবোৰ বিচিত্র অলঙ্কাৰ-পাতি অসমত প্রচলন কৰিলে সেইবোৰৰ ভিতৰত প্রধান কেতবোৰ হ'ল— সোণৰ জোনবিৰি, ঢোলবিৰি, বানা, গেজেৰা, কঢ়ীয়া-থুৰীয়া, দীঘল কেৰু, বৰৈলগা কেৰু, মাদলী, বাখৰাম-সোণৰ আঙঠি, শিলিখামণি, পোৱালে সৈতে হাতৰ চেও, গামখাৰু, সোণৰ হাৰ, লোকাপাৰ, ডুগডুগী ইত্যাদি।

আহোম শাসক শ্রেণীৰ মাজত প্রচলিত আদৰ কায়দা, আচাৰ ব্যৱহাৰ, সাজ-পোচাক, থকা মেলাৰ ধৰণ কৰণ, সোধপোচ আদি সাংস্কৃতিক বৈশিষ্ট্যবোৰ তেওঁলোকৰ ৰাজ্যত বাস কৰা প্রজাসাধাৰণেও অনুকৰণ কৰিবলৈ লয়। আহোমৰ ফুলাম জাপি, ভাতখোৱা মাইহাং, বান-বাতি, বান-কাঁহী, তিৰোতাৰ সাজ-পাৰ, পাট আৰু মুগাৰ বিভিন্ন ফুলবচা কাপোৰ, ৰিহা, আঙঠি, জাংফাই কেৰু আদি হৰেক ৰকমৰ বস্তু, সা-সঁজুলি আদি সাধাৰণজনৰ অনুকৰণীয় হৈ সিবোৰৰ উৎকর্ষ সাধন হয়। আহোমসকলেই লগত লৈ অনা আহোম-বগৰী, আহোম-শালি ধান, নৰা-বগৰী ইত্যাদি অসমীয়া সমাজ-সংস্কৃতিৰ অঙ্গ হৈ পৰিল। গুণগ্রাহী এই শাসক গোষ্ঠীয়ে জাতি-বর্ণ-ধর্ম নির্বিশেষে বিভিন্ন স্তৰৰ প্রশাসনীয় পদত অসমীয়া লোকক নিযুক্তি দিলে। পদবী অনুযায়ী তেওঁলোকেই দিয়া পদ উপাধিবোৰ আধুনিক কাললৈকে প্রচলিত হৈ ৰ'ল। আহোমসকলৰ দিনতে বিহু জাতীয় উৎসৱ স্বৰূপে পৰিগণিত হ'ল। অসমৰ ধর্ম আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ মূল ভেটি সত্রসমূহে আহোমসকলৰ বদান্যতাতে চিৰায়ু লাভ কৰিলে। সত্রৰ পৰা ভাওনাক নি ৰজাঘৰত প্রতিষ্ঠা কৰিলে। যাতায়তৰ বাবে আলি বন্ধালে। ৰজা-ৰাণী তথা কোঁৱৰসকলৰ স্মৃতি ৰক্ষার্থে, প্রজাৰ খোৱা-পানী, খেতিৰ বাবে পুখুৰী খন্দালে। হাট পাতি বেহা-বেপাৰৰ ব্যৱস্থা কৰি দিলে। নদীত সোণ কমোৱা ব্যৱসায়ৰ প্রৱর্তনো তেওঁলোকেই কৰিলে। গাঁও পাতি একেখন গাঁৱতে ভিন্ন জাতি আৰু বৃত্তিৰ মানুহ স্থাপি একতা আৰু মিলা-প্রীতিৰে জীৱন যাপন কৰাৰ ৰীতি প্রৱর্তালে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সুকীয়া সুকীয়া সাংস্কৃতিক উপাদানক সমন্বয়ৰ দিশে আগবাঢ়িবলৈ, ৰাজনৈতিক বিচক্ষণতা আৰু ভৌগোলিক বিস্তৃতিৰে শাসক হিচাপে টাই-আহোমসকলেই বাট মুকলি কৰি

দিলে। সেয়ে এওঁলোকক বৰ অসমৰ নির্মাতা বুলি অভিহিত কৰা হৈছে। মুঠতে অসমীয়া সংস্কৃতিৰ সকলো দিশতেই আহোমৰ শাসন কালত বিভিন্ন ধৰণে বিকাশ সাধন হ'বলৈ ল'লে আৰু অসমীয়া সংস্কৃতিৰো বৰভেঁটি গঢ় লৈ উঠিল।



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ পৰা আমি অসমৰ সাংস্কৃতিক জীৱনলৈ টাই-আহোমসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে জানিব পাৰিলোঁ। ছশ বছৰীয়া আহোম ৰাজত্ব কালত অসমীয়া জাতিক উন্নতিৰ শিখৰলৈ নিয়াত আহোমসকলৰ ভূমিকা গুৰুত্বপূর্ণ।
- টাই আহোমসকলে অসম দেশত ভৌগোলিক একতা স্থাপন কৰি এক শাসনতন্ত্রলৈ আনি অসমীয়া জাতিৰ সংহতি আৰু ঐক্য স্থাপন কৰিবলৈ সক্ষম হয়। আহোমসকলৰ আগমনৰ পৰাই এই দেশখনৰ নাম *অসম* আৰু ইয়াৰ মানুহ তথা ভাষা-সংস্কৃতিৰ নাম *অসমীয়া* হৈছে।
- টাইসকলৰ আগমনৰ পাছৰে পৰা অসম দেশৰ বৈচিত্র্যময় ভাষা-সংস্কৃতিৰ মাজত ঐক্যৰ যোগসূত্র স্থাপনৰ বাট মুকলি হয়। সমন্বয়ৰ অসমীয়া সংস্কৃতি গঢ়াত আহোমসকলৰ ভূমিকা অতুলনীয়।
- অসমীয়া ভাষা-সাহিত্যৰ জগতলৈ বুৰঞ্জী নামৰ একক আৰু অতুলনীয় সাহিত্যৰ সংযোগেৰে অসমীয়া ভাষা-সংস্কৃতিক চহকী কৰি গ'ল আহোমসকলেই। আহোম ৰজাৰ পৃষ্ঠপোষকতাতেই বিবিধ সাহিত্য ৰচিত হ'ল।
- অসমীয়া ভাষাক সুপ্রতিষ্ঠিত কৰি সাহিত্য, ধর্ম, সুকুমাৰ কলা, সাজ-পাৰ, আ-অলঙ্কাৰ আদি দিশত নতুন মাত্রা দান কৰাৰ লগতে অসমৰ স্থাপত্য-ভাস্কর্যৰ দিশতো যে সৰহ সংখ্যক দান আহোমসকলেই আগবঢ়ালে এই কথাও এই অধ্যায়টিৰ পৰা জানিব পৰা গ'ল।



৮.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

২) গগৈ, লীলা (১৯৯৪); *টাই সংস্কৃতিৰ ৰূপৰেখা;* কলিকতা ঃ শ্রীভূমি পাবলিচিং কোম্পানী।

৩) তাহেৰ, মহম্মদ (সম্পাঃ), (২০০৫); *অসমীয়া বিশ্বকোষ;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সঙ্কলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৬) পাদুন, নাহেন্দ্র (১৯৯৩); *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৭) বৰবৰুৱা, হিতেশ্বৰ (১৯৮৫); *আহোমৰ দিন;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৮) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৯) ৰাজকুমাৰ, সর্বানন্দ (১৯৮০); *ইতিহাসে সোঁৱৰা ছশটা বছৰ;* যোৰহাট ঃ অসম।

১০) শইকীয়া,নগেন (সম্পাঃ) (২০১৩); *অসমীয়া মানুহৰ ইতিহাস,* গুৱাহাটী ঃ কথা প্রকাশক।

১১) শর্মা, প্রদীপ (২০০৫); *অসমৰ শেষ-মধ্যযুগীয় মন্দিৰ স্থাপত্য;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১২) সন্দিকৈ, ভূবনচন্দ্র (সম্পাঃ), (১৯৬১); *চাংৰুং ফুকনৰ বুৰঞ্জী*।

৮.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ টাইসকলৰ মূল বসতি স্থল... ...তেওঁলোকৰ ঠাল-ঠেঙুলিৰ বিস্তৃতি... ...অসমলৈ টাইসকলৰ প্রব্রজন আৰু বসতি বিস্তাৰ।

২নং প্রশ্নৰ উত্তৰ ঃ আহোম ৰজাসকলৰ দূৰদর্শিতা আৰু বিদ্যুৎসাহী স্বভাৱৰ চমু উল্লেখ... ...আহোম স্বর্গদেউসকলৰসকলৰ পৃষ্ঠপোষকতাৰ গঢ় লোৱা বুৰঞ্জী সাহিত্য শ্রেণী... ...বুৰঞ্জী সাহিত্যৰ চমু পৰিচয়।

৩নং প্রশ্নৰ উত্তৰ ঃ আহোমসকলৰ ধর্মৰ চমু পৰিচয় সেই ধর্মমতত কি কি উপাদান আৰু বিষয়ে গুৰুত্ব লাভ কৰিছিল।



৮.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া সমাজ আৰু সংস্কৃতিলৈ টাই-আহোমসকলৰ অৱদান সম্পর্কে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ২ ঃ 'আহোম ৰাজত্বত অসমীয়া সাহিত্য' সম্পর্কে এটি চমু প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ অসমৰ স্থাপত্য আৰু ভাস্কর্যৰ দিশত আহোমসকলৰ অৱদান সম্পর্কে চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৪ ঃ আহোমৰ প্রথম ৰজাজনৰ নাম কি?

প্রশ্ন ৫ ঃ আহোমৰ শাসনকালত ৰচিত কেইখনমান ব্যৱহাৰিক জ্ঞানৰ পুথিৰ নাম লিখক?

প্রশ্ন ৬ ঃ টাইসকল মূলতে কোন ধর্মৰ লোক আছিল?

প্রশ্ন ৭ ঃ আহোমসকলৰ নিজা ভাষা আছিলনে?

প্রশ্ন ৮ ঃ চমুকৈ লিখক— ক) অসমীয়া বস্ত্রশিল্পলৈ আহোমসকলৰ অৱদান, খ) বুৰঞ্জী সাহিত্য।

*** ***** ***